# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 25-08-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদত ৫ হাজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাৰ সৈতে দিল্লীত বৈঠকত মিলিত হ'ব।

৩। মুম্বাইৰ কোলাবাৰ অভিজাত অঞ্চলৰ ৪ বিঘা ভূমি মুম্বাই কৰ্তৃপক্ষই অসম চৰকাৰক ৬০ বছৰৰ বাবে লীজত দিছে।

৪। অসমৰ প্ৰায় ৪০ লাখ মহিলা, আত্মসহায়ক গোটৰ জৰিয়তে নিজাকৈ উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। *আৰু*

৫। দেশৰ স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ হোৱালৈ ভাৰতে বিশ্বৰ শীৰ্ষ ৫ খন ক্ৰীড়া ৰাষ্ট্ৰৰ অন্যতম হ'বলৈ প্ৰয়াস কৰিছে বুলি কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। শ্ৰীমোদীয়ে আহমেদাবাদত ৫ হাজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। তেওঁ এই উপলক্ষে আয়োজিত এখন জনসভাতো ভাষণ দিব। ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ আহমেদাবাদৰ হানচলপুৰত থলুৱাভাৱে উৎপাদিত হাইব্ৰীড বেটেৰী ইলেকট্ৰডছ আৰু ১০০ খন দেশলৈ বেটাৰীচালিত বাহনৰ ৰপ্তানি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। এই ভ্ৰমণৰ কালছোৱাতে তেওঁ এহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা কেইবাটাও ৰে'লৰে প্ৰকল্প ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব। তেওঁ লগতে বিৰামগাঁও-খুদাদ-ৰামপুৰ পথ সম্প্ৰসাৰণ প্ৰকল্পও উদ্বোধন কৰিব। শ্ৰীমোদীয়ে আহমেদাবাদ-মেহচান-পালনপুৰ সংযোগী ছয়লেনযুক্ত সুৰংগ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে আহমেদাবাদ-বিৰামগাঁও পথত ৰে'লৰে উৰণ সেতুৰ উদ্বোধন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাৰ সৈতে দিল্লীত বৈঠকত মিলিত হ'ব। ফিজিৰ প্ৰধানমন্ত্ৰীগৰাকী তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। শ্ৰীৰাবুকাক শিক্ষা আৰু ডনাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সুকান্ত মজুমদাৰে বিমানবন্দৰত আদৰণি জনায়। সপত্নীক ভাৰতলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দেশখনৰ স্বাস্থ্য আৰু চিকিৎসা সেৱা মন্ত্ৰী ৰাটু এটনিঅ' লালাবালাভুকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া আহিছে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই অভ্যাগত প্ৰতিনিধিসকলক কালি সন্ধিয়া সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ফিজিৰ প্ৰধানমন্ত্ৰী হিচাপে দায়ত্বভাৰ গ্ৰহণৰ পাছত শ্ৰীৰাবুকাৰ এয়া হৈছে প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণকালত তেওঁ নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰী ৰাবুকাৰ এই ভ্ৰমণে ভাৰত আৰু ফিজিৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্ক সুদৃঢ় কৰাৰ উপৰি দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক তথা বিভিন্ন ক্ষেত্ৰত থকা

দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ দিশত নিৰন্তৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

মুম্বাইৰ কোলাবাৰ অভিজাত অঞ্চলৰ ৪ বিঘা ভূমি মুম্বাই কৰ্তৃপক্ষই অসম চৰকাৰক ৬০ বছৰৰ বাবে লীজত দিছে। দেশৰ বাণিজ্যিক ৰাজধানীখনত অসমৰ জনসাধাৰণৰ বাবে যাৱতীয় ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশ তথা সুচল ব্যৱস্থা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে এই ভূমিত এটা নিজা চৌহদ স্থাপন কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে মুম্বাই চহৰলৈ অহা অসমৰ উদ্যোগী, ছাত্ৰ-ছাত্ৰী, ৰোগী তথা অন্যান্য লোকসকল উপকৃত হ'ব। উল্লেখযোগ্য যে অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰয়োজন পূৰণৰ বাবে এটা কেন্দ্ৰ অথবা আন্তঃগাঁথনি প্ৰকল্প নিৰ্মাণৰ বাবে ভূমি বিচাৰি অসম চৰকাৰৰ মুখ্য সচিবে এখন লিখিত আবেদন প্ৰেৰণ কৰিছিল। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে ৪ বিঘা ভূমি লীজত দিয়াৰ সিদ্ধান্ত লয়।

০০০০০

অসমৰ প্ৰায় ৪০ লাখ মহিলা আত্মসহায়ক গোটৰ জৰিয়তে নিজাকৈ উপাৰ্জনৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হৈ আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ দিহিং ক্ৰীড়া প্ৰকল্পত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যখনৰ মহিলাসকলৰ বিত্তীয় সৱলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা কল্যাণকামী আঁচনিসমূহৰ সাফল্যত আলোকপাত কৰে। তেওঁ কয়, যে অসমত বৰ্তমান প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে আৰু এই গোটসমূহে গ্ৰাম্য আৰু নগৰাঞ্চলৰ সামাজিক-অৰ্থনৈতিক প্ৰেক্ষাপট সলনি কৰিবলৈ সমৰ্থ হৈছে। ইতিমধ্যে ৮ লাখ মহিলাই বছৰি এক লাখ টকাৰো অধিক ধন উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে মহিলাসকল বেংক ব্যৱস্থাৰ সৈতে পৰিচিত হৈছে আৰু তেওঁলোকে সামগ্ৰী উৎপাদনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াৰে কিছুসংখ্যক লাখপতি বাইদেউক তেওঁলোকৰ সফলতাৰ প্ৰতি সন্মান জনাবৰ বাবে দিল্লীলৈ আমন্ত্ৰণ কৰিছিল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে অধিক সংখ্যক মহিলাই সফলতাৰ স্তৰ লাভ কৰাটো বিচাৰে।

০০০০০

সীমান্ত সুৰক্ষা বাহিনী- বি এছ এফে ভাৰত- বাংলা সীমান্তৱৰ্তী হাকিমপুৰ পৰীক্ষণচকীৰে বেআইনীভাৱে ভাৰতত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ সময়তে বাংলাদেশৰ এগৰাকী উচ্চ পৰ্য্যায়ৰ বিষয়াক আটক কৰিছে। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ শাসনকালত ৰংপুৰ মেট্ৰ'পলিটান আৰক্ষীত এ চি পি হিচাপে কৰ্মৰত আটকাধীন বিষয়াগৰাকী আৰিফুজ্জামান বুলি জানিব পৰা গৈছে। তেওঁ বাংলাদেশ সেনাবাহিনীৰ সচিবৰূপেও কাম কৰিছিল। পৰৱৰ্তী মহম্মদ ইউনুছ নেতৃত্বাধীন চৰকাৰৰ শাসনকালত বিষয়াগৰাকীয়ে আত্মগোপন কৰি আছিল। বৰষুণ আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ সুবিধা লৈ তেওঁ পৰহি নিশা সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশৰ চেষ্টাৰ সময়তে বি এছ এফৰ ১৪৩ নম্বৰ বেটেলিয়নৰ জোৱানে তেওঁক আটক কৰে আৰু স্বৰূপনগৰ আৰক্ষী থানাত চমজাই দিয়ে। ধৃত বিষয়াগৰাকীৰ পৰা

বহুতো তথ্যপাতি উদ্ধাৰ কৰা হৈছে। বছিৰহাট বিচাৰপীঠে কালি বিষয়াগৰাকীক ১৪দিনৰ বাবে কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। বিষয়টো সন্দৰ্ভত বাংলাদেশ উচ্চায়ুক্তক অৱগত কৰোৱা হৈছে।

০০০০০

ৰাছিয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কুমাৰে কয় যে ভাৰতে ৰাষ্ট্ৰীয় স্বাৰ্থত ৰাছিয়াৰ পৰা তেল ক্ৰয় প্ৰক্ৰিয়া অব্যাহত ৰাখিব। ৰাছিয়াৰ এটা সংবাদ সংস্থাক দিয়া সাৎক্ষাকাৰত বিনয় কুমাৰে কয় যে ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাৰ অজুহাতত আমেৰিকাই আমদানীকৃত সামগ্ৰীৰ ক্ষেত্ৰত মুঠ ৫০ শতাংশ শুল্ক আৰোপৰ সিদ্ধান্ত অযুক্তিকৰ আৰু ন্যায়সন্মত নহয়। তেওঁ লগতে কয় যে ভাৰতৰ শক্তি নীতিৰ লক্ষ্য হৈছে ইয়াৰ নাগৰিক সকলক শক্তি যোগানৰ ক্ষেত্ৰত নিশ্চিতি প্ৰদান কৰাৰ বাবে বিশ্ব বজাৰত তেলৰ চাহিদা পূৰণ কৰা ৰাছিয়া তথা অন্যান্য দেশ সমূহৰ সৈতে সহযোগিতা স্থাপন কৰা। ভাৰত আৰু ৰাছিয়াৰ বাণিজ্য পাৰস্পৰিক স্বাৰ্থজড়িত আৰু বজাৰ নিৰ্ভৰ বুলি শ্ৰী কুমাৰে আলোকপাত কৰাৰ লগতে ৰাছিয়াৰ সৈতে আমেৰিকাকে ধৰি অন্যান্য ইউৰোপীয় দেশসমূহও বাণিজ্য অব্যাহত ৰাখিছে বুলি আঙুলিয়াই দিয়ে।

০০০০০

ইউক্ৰেইনত ৰাছিয়াৰ বোমা আক্ৰমন প্ৰতিহত কৰিবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতৰ সামগ্ৰীৰ ক্ষেত্ৰত আগ্ৰাসী শুল্ক আৰোপ কৰিছে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভাঞ্চে সংবাদ সংস্থাৰ আগত কালি এটা সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰি কয় যে এই পদক্ষেপে ৰাছিয়ানসকলক তেল অৰ্থনীতিৰ জৰিয়তে চহকী হোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব। ভাৰতে ৰাছিয়াৰ পৰা খনিজ তেল ক্ৰয় কৰাত ট্ৰাম প্ৰশাসন ভাৰতৰ প্ৰতি অতি কঠোৰ হোৱাৰ লগতে সমালোচনাও কৰিছে। কিন্তু ৰাছিয়াৰ পৰা বৃহৎ পৰিমানৰ তেল আমদানী কৰা চীনৰ ক্ষেত্ৰত ট্ৰম প্ৰশাসনে নিৰৱতা অৱলম্বন কৰিছে। ভাৰতে ৰাষ্ট্ৰৰ স্বাৰ্থত আৰু বজাৰ নিৰ্ভৰ কাৰকৰ বাবেই ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰিছে বুলি প্ৰকাশ কৰিছে। ইফালে ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত যুদ্ধৰ শাম কটাবলৈ আমিৰিকা সমৰ্থ হ'ব বুলি উপ ৰাষ্ট্ৰপতি ভিঞ্চে আশা প্ৰকাশ কৰে। তেওঁ কয় যে এই উদ্দেশ্যৰে ৰাষ্ট্ৰপতি ট্ৰাম্পে চলিত মাহত ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে বৈঠকত মিলিত হৈছিল।

০০০০০

ভিয়েটনাম চৰকাৰে সাগৰীয় ঘূৰ্ণীবতাহ কাজিকীৰ আগমনৰ পূৰ্বে ৫ লাখ ৮৬ হাজাৰৰো অধিক লোকক স্থানান্তৰৰ নিৰ্দেশ দিছে। বতৰৰ আগজাননীত প্ৰকাশ কৰা অনুসৰি বতাহজাকে ইতিমধ্যে প্ৰতিঘণ্টাত ১৬৬ কিলোমিটাৰ বেগেৰে গতি কৰিছে আৰু কাইলৈ পুৱাৰ ভাগত স্থলভাগত খুন্দাৰ মৰাৰ পূৰ্বে আৰু অধিক শক্তিশালী হৈ উঠিব বুলি আশংকা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত থান হুৰা, কুৱাং ত্ৰি, হিউ আৰু দা নাং প্ৰদেশৰ লোকসকলক ঘৰ এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। বতাহজাকে ইতিমধ্যে চীনৰ হাইনান প্ৰদেশ অতিক্ৰম কৰিছে। ভিয়েটনামৰ কৃষি আৰু পৰিৱেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পৰিস্থিতি অতি ভয়ানক হৈ পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বাহন চলাচল তথা মাছ মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ভিয়েটনাম বিমান কৰ্তৃপক্ষই আজি আৰু কাইলৈ কেন্দ্ৰীয় চহৰকেইখনৰ পৰা কমেও ২২ খন বিমানৰ যাত্ৰা বাতিল কৰিছে।

০০০০০

দেশৰ স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ হোৱালৈ অৰ্থাৎ ২০৪৭ চনৰ ভিতৰত ভাৰতে বিশ্বৰ শীৰ্ষৰ ৫ খন ক্ৰীড়া ৰাষ্ট্ৰৰ অন্যতম হ'বলৈ প্ৰয়াস কৰিছে বুলি কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। আহমেদাবাদত কমনৱেল্থ ভাৰোত্তোলন চেম্পিয়নশ্বিপৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ কালি ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে ক্ৰীড়া খণ্ডত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে আৰু এইক্ষেত্ৰত বহু সংস্কাৰ সাধন কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ১০ বছৰৰ ভিতৰত দেশক বিশ্বৰ শীৰ্ষ ১০ খন দেশৰ ভিতৰত স্থান পোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে ভাৰতে ২০৩৬ৰ অলিম্পিকৰ বাবে নিবিদা দিছে। শ্ৰীমন্দাভিয়াই কয়, যে বৰ্তমান সময়ত দেশত এটা ক্ৰীড়া পৰিৱেশতন্ত্ৰ গঢ়ি তোলাটো অতি প্ৰয়োজন আৰু চৰকাৰে এইক্ষেত্ৰত সকলো প্ৰচেষ্টা চলাই আছে। শেহতীয়াকৈ সংসদৰ অধিৱেশনত চৰকাৰে ক্ৰীড়া প্ৰশাসন বিধেয়ক উত্থাপন কৰিছিল বুলি উল্লেখ কৰি ড০ মন্দাভিয়াই কয়, যে এই এথলিটকেন্দ্ৰিক বিয়েধকখনে ৰাষ্ট্ৰীয় ক্ৰীড়া সন্থাত মহিলাৰ প্ৰতিনিধিত্বক গুৰুত্ব দিছে।

০০০০০

সমাপ্ত